# ধোনীৰ যাদু অব্যাহত



আন্তৰ্জাতিক ক্ৰিকেটৰ পৰা অৱসৰ ল'লেও মহেন্দ্ৰ সিং ধোনী আজিও ভাৰতৰ বাবে আপুৰুগীয়া সম্পদ। সেইবাবেই চলিত টুৱেণ্টি টুৱেণ্টি বিশ্বকাপৰ ভাৰতীয় দলৰ মেণ্টৰৰূপে ধোনীক অবৈতনিক নিযুক্তি দিয়া হৈছে। ধোনী ভাৰতীয় ক্ৰিকেটৰ 'মিডাছ'। মিডাছে যি বস্তুৰে স্পৰ্শ নকৰক কিয়, সিয়ে সোণলৈ ৰূপান্তৰিত হয়। গ্ৰীক আখ্যানৰ এই 'মিডাছ'ৰ আধুনিক সংস্কৰণ ধোনী। অনুৰাগীৰ মৰমৰ মাহি। 'মিডাছ'ৰ দৰেই ভাৰতীয় ক্ৰিকেটক মাহিয়ে সোণলৈ ৰূপান্তৰিত কৰিছে। ধোনীৰ নেতৃত্বতে টিম ইণ্ডিয়াই টুৱেণ্টি টুৱেণ্টি বিশ্বকাপ জয় কৰাৰ লগতে ২০১১ চনত এদিনীয়া বিশ্বকাপতো চেম্পিয়ন হৈছে। ধোনীৰ সুদক্ষ নেতৃত্বৰ সুবাদতে ভাৰতে চেম্পিয়নছ ট্ৰফিৰ খিতাপ দখল কৰাৰ লগতে প্ৰথমবাৰলৈ বিশ্ব টেষ্ট ৰেংকিঙৰ শীৰ্ষস্থান দখল কৰিছিল। চেন্নাই ছুপাৰ কিংছক চাৰিবাৰ আই পি এলৰ চেম্পিয়ন কৰোৱাৰ আঁৰত আছে ধোনীৰ হাত। সদ্যসমাপ্ত আই পি এলত চেন্নাই ছুপাৰ কিংছ চেম্পিয়ন হোৱাৰ ক্ষেত্ৰত ধোনীৰ নাম শত্ৰুৱেও ল'ব। দিল্লী কেপিটেলছৰ বিৰুদ্ধে কোৱালিফায়াৰ-১ত ধোনীয়ে খেলা ছটা বলত ১৮ ৰানৰ ইনিংছটোৱে নিৰ্ণায়ক ভূমিকা পালন কৰিছিল। বয়সৰ জোখাৰে ৪০ বছৰীয়া ধোনীৰ ফিনিশ্বাৰৰ অভিধা যে আজিও অম্লান আছে, সেই কথা তেওঁৰ ১৮ ৰানৰ ইনিংছটোৱে প্ৰমাণিত কৰিলে।

ভাৰতীয় ক্ৰিকেটক ধোনীয়ে কি দিয়া নাই? সৌৰভ গাংগুলীৰ আমোলত প্ৰাণ লাভ কৰা ভাৰতীয় ক্ৰিকেটক ধোনীয়ে আক্ৰমণাত্মক কৰি তুলিছিল। এজাক তৰুণ শক্তিক নতুন ৰূপত গঢ়ি তুলি ভাৰতীয় ক্ৰিকেটক কেইবাটাও খিতাপ ধোনীয়ে উপহাৰ দিছে।

২০১১ চনৰ বিশ্বকাপৰ ফাইনেলত ছিক্সাৰ কোবাই ভাৰতক চেম্পিয়ন কৰোৱাৰ মুহূৰ্তত ধোনী আনন্দত উত্ৰাৱল হোৱা নাছিল। ধীৰে-সুস্থিৰে খেলপথাৰৰ পৰা ওলাই আহিছিল। এয়াই ধোনীৰ যাদু।

ধোনীৰ মন শিলৰ দৰে কঠিন। প্ৰতিকূল সময়তো ধোনী বিচলিত নহয়। উৰ্বৰ ক্ৰিকেট মস্তিষ্কৰ অধিকাৰী ধোনী হিমশীতল। খেলপথাৰত কেতিয়াও উত্তেজিত নহয়। স্নায়ুচাপ চম্ভালি লোৱাত এক নম্বৰ ধোনী থাকিলে সতীৰ্থ খেলুৱৈয়ে সাহস পায়। সতীৰ্থ খেলুৱৈৰ বাবে ধোনী প্ৰেৰণাৰ উৎস, সঞ্জীৱনী সুধা।

এইবাৰ আই পি এলত চেম্পিয়ন হোৱাৰ সময়ত ধোনীৰ শাৰীৰিক ভাষাত একেই স্বভাৱসিদ্ধ নিৰৱতা দেখা গৈছিল। গ্লাভছ খুলি শান্ত আৰু ধীৰে-সুস্থিৰে খেলপথাৰৰ পৰা ওলাই আহিছিল। ধোনী পূৰ্বৰ দৰে একেই আছে। দেহত বয়সৰ চাপ স্পষ্ট। বগা পৰা চুলিৰে ক্ৰিকেটীয় কেৰিয়াৰ চমু চাপি অহাৰ ইংগিত দিছে। পৰৱৰ্তী আই পি এলত ধোনীক দেখা নাযাবও পাৰে। যোৱা ছিজনতে ধোনীয়ে আই পি এলৰ পৰা অৱসৰ ল'ব বুলি ক্ৰিকেট বিশ্লেষকে ধাৰণা কৰিছিল। যোৱা বছৰৰ আই পি এলত চেন্নাই ছুপাৰ কিংছৰ শোচনীয় প্ৰদৰ্শনৰ পাছত ধোনী নিন্দিত হৈছিল। ২০১৯ চনৰ বিশ্বকাপত ধোনীৰ বেটিং সমালোচিত হৈছিল। নিউজিলেণ্ডৰ বিৰুদ্ধে ছেমি ফাইনেলত অৰ্ধশতক অৰ্জন কৰিলেও সেই শামুকীয়া ইনিংছটো দেখি সমৰ্থকসকল ক্ষোভিত হৈ পৰিছিল। ইয়াৰ পাছত আই পি এলতো ধোনী ব্যৰ্থ হৈছিল। স্বাভাৱিকতে ধোনীৰ দিন শেষ হ'ল বুলিয়ে ক্ৰিকেট সমালোচকে আশংকা কৰিছিল। কিন্তু ধোনী ৰূপকথাৰ চলমান নায়ক। ক্ৰিকেটৰ মিডাছ। দুৰ্ভাগ্যক সৌভাগ্যলৈ ৰূপান্তৰিত কৰা ক্ৰিকেটাৰ ধোনী। সদ্যসমাপ্ত আই পি এলতে এই কথা ধোনীয়ে প্ৰমাণিত কৰিলে। আচলতে ধোনীয়ে এতিয়া প্ৰমাণ কৰিবলৈ একো নাই। স্বৰ্ণোজ্জ্বল আন্তৰ্জাতিক ক্ৰিকেটত ধোনীয়ে ঈৰ্ষণীয় সফলতা অৰ্জন কৰিছে। শূন্যৰে কেৰিয়াৰ আৰম্ভ কৰা ধোনী এদিনীয়াত দহ হাজাৰ ৰানৰ মালিক। বিশ্বৰ অন্যতম ফিনিশ্বাৰ তেওঁ। বিপদৰ সময়ত ধোনী সদায়েই ভাৰতীয় দলৰ ত্ৰাণকৰ্তা। চেন্নাই ছুপাৰ কিংছৰো বিপদৰ ভৰসা।

খেলপথাৰত যেনেদৰে নিজৰ দায়িত্বৰ প্ৰতি সদা সচেতন, ঠিক একেদৰে ধোনী দায়িত্বশীল স্বামী আৰু স্নেহশীল পিতৃ। নিৰৱে পিতৃ আৰু স্বামীৰ দায়িত্ব সুচাৰুৰূপে পালন কৰা ধোনীয়ে দলনেতাৰ দায়িত্বও সুন্দৰভাৱে পালন কৰি আহিছে। ধোনী প্ৰকৃত দলনেতা। হিমশীতল মস্তিষ্কৰে প্ৰতিকূল পৰিস্থিতিৰ মোকাবিলা কৰা ধোনী দলৰ বাবে সাহসৰ নাম। ধোনী থাকিলে প্ৰতিকূল পৰিস্থিতিতো সতীৰ্থ খেলুৱৈ মানসিকভাৱে দুৰ্বল নহয়। শেহতীয়া দহ বছৰত ভাৰতীয় ক্ৰিকেটলৈ অহা ইতিবাচক পৰিৱৰ্তনৰ বাবে ধোনীক প্ৰশংসা নকৰিলে নিঃসন্দেহে তেওঁৰ প্ৰতি অন্যায় কৰা হ'ব। শচীন তেণ্ডুলকাৰে অৱসৰ লোৱাৰ পাছত ভাৰতীয় ক্ৰিকেটলৈ মন্দাৱস্থা আহিব বুলি ভবা হৈছিল। শচীনবিহীন ক্ৰিকেটৰ কথা ভবাটোৱেই একাংশৰ বাবে কঠিন হৈ পৰিছিল। পিছে ধোনীৰ উপস্থিতিত ভাৰতীয় ক্ৰিকেট সজীৱ হৈ ৰ'ল। শচীনৰ অভাৱ ধোনীয়ে অনুভৱ হ'বলৈ নিদিলে। প্ৰায় নিৰৱেই আন্তৰ্জাতিক ক্ৰিকেটৰ পৰা অৱসৰ গ্ৰহণ কৰা ধোনীয়ে নিজৰ সুনিপুণ নেতৃত্বৰ দক্ষতা আৰু ব্যতিক্ৰমী বেটিং ষ্টাইল আজিও ধৰি ৰাখিবলৈ সমৰ্থ হৈছে। শচীনৰ দৰে শিল্পীসুলভ আৰু কাব্যিক নহয় ধোনীৰ বেটিং। তথাপি ধোনীৰ বেটিঙে দৰ্শকক শিহৰিত কৰি ৰাখিব পাৰে।

**দিগন্ত চহৰীয়া**
ফোন ঃ ৮৭৫৩৯৮২৪৮৯